**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

-----------------------

ব্ৰহ্মপুত্ৰ ওপৰত নিৰ্মীয়মাণ অসম আৰু মেঘালয় সংযোগী ধুবুৰী-ফুলবাৰী দলঙখনৰ নিৰ্মাণ কাৰ্য প্ৰায় ৫০ শতাংশ সম্পন্ন হৈছে। দেশৰ ভিতৰত সৰ্ববৃহৎ হিচাপে পৰিগণিত হ'বলগীয়া এই দলঙখনৰ দৈৰ্ঘ্য হ'ব ১৯ দশমিক ২-৮ কিলোমিটাৰ। ২০২৮ চনৰ ভিতৰত দলঙখন সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। উত্তৰ-পূব পথ যোগাযোগ আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত তথা জাইকাৰ বিত্তীয় সাহায্যত নিৰ্মীয়মান এই দলঙখন এছিয়া মহাদেশৰ ভিতৰত তৃতীয় আৰু ভাৰতৰ সৰ্ববৃহৎ দলং হিচাপে পৰিগণিত হ'ব। দলঙখন নিৰ্মাণৰ বাবে ৪ হাজাৰ ৯৯৭ কোটিৰো অধিক টকা ব্যয় ধাৰ্য কৰা হৈছে। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে ফুলবাৰীলৈ সম্প্ৰতি ব্ৰহ্মপুত্ৰৰে কেইবা ঘণ্টাজোৰা নাও যাত্ৰাৰ পৰিৱৰ্তে ১৫-২০ মিনিটতে সেই স্থানত উপস্থিত হ'ব পৰা যাব। ২০১৯ চনৰ ২৮ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় মন্ত্ৰী সভাই এই দলঙখন নিৰ্মাণৰ কামত অনুমোদন জনায়। ২০২১ চনৰ ১৮ ফেব্ৰুৱাৰী দিনা প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে নতুন দিল্লীৰ পৰা দলঙখন নিৰ্মাণৰ শুভাৰম্ভ কৰিছিল। এই দলঙখনে বাংলাদেশ সীমান্তৱৰ্তী দক্ষিণ ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব বুলি আশা কৰা হৈছে।

oooooo

গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থা, জনজাতি সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিসহ ৩০ জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়াই অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কবচ প্ৰদান সন্দৰ্ভত কালি আলোচনাত মিলিত হয়। ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনৰ আধাৰত খিলঞ্জীয়া জনজাতি, খিলঞ্জীয়া অসমীয়া, আন আন খিলঞ্জীয়া জনগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষিত কৰিব পৰাকৈ পদক্ষেপ লোৱাৰ বাবে সময়ে সময়ে আলোচনা কৰি আগবাঢ়ি যাবলৈ এই আলোচনাত আটাইকেইটা সংগঠনৰ বিষয়ববীয়াই সহমত প্ৰকাশ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাৰ প্ৰতিনিধিত্বত অনুষ্ঠিত সভাত সদৌ অসম ছাত্ৰ সন্থাই ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ বিভিন্ন বিষয়ৰ লগতে প্ৰতিবেদনৰ প্ৰতিটো দিশ কাৰ্যকৰী কৰিবলৈ ৰাজ্য চৰকাৰে আৰম্ভণিৰ পৰা আলোচনাৰ বিষয়ে অৱগত কৰে। ৰাজ্য চৰকাৰে আয়োজন কৰা আলোচনা এটা ইতিবাচক আৰম্ভণি বুলি সদৌ অসম ছাত্ৰ সন্থাই প্ৰকাশ কৰে।

oooooo

অসম বক্সিং সন্থাৰ উদ্যোগত গুৱাহাটীত কালিৰে পৰা সদৌ অসম ছিনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা আৰম্ভ হৈছে। পল্টনবজাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণত কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত পেৰিছ অলিম্পিকৰ ভাৰতীয় বক্সিং দলৰ মহিলা প্ৰশিক্ষক প্ৰণামিকা বৰাৰ উপৰি অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতা আৰু ৰাজ্যৰ জ্যেষ্ঠ প্ৰশিক্ষক পদুম বড়োৰ লগতে বক্সিং সন্থাৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। উল্লেখযোগ্য যে পুৰুষ আৰু মহিলাৰ প্ৰতিযোগিতাখনত বিশ্ব বক্সিঙৰ নতুন নিয়ম অনুসৰি উভয় শাখাৰ ১০টা ওজন শাখাত খেল অনুষ্ঠিত কৰা হৈছে। ৰাজ্যৰ ২৬ খন জিলাৰ ৮২ গৰাকী পুৰুষ আৰু

৬৭ গৰাকী মহিলা খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ইয়াৰ পৰাই অহা জানুৱাৰী মাহত হ'বলগীয়া এলিট ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ অসমৰ পুৰুষ আৰু মহিলাৰ দলটো বাছনি কৰা হ'ব।

০০০০০০

আজি বিশ্ব এইডছ্ দিৱস। ACQUIRED IMMUNO DEFICIENCY SYNDROMEৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৰে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰন সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ্ দিৱসত সজাগতা বৃদ্ধি, চিকিৎসা পদ্ধতি প্ৰসাৰ আৰু এইডছত আক্ৰান্তসকলৰ বিৰুদ্ধে বৈষম্য দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল **শুদ্ধ পথ গ্ৰহণ কৰক**।

বিশ্ব এইডছ্ দিৱস উপলক্ষে গোৱালপাৰা জিলা স্বাস্থ্য সমিতিৰ সহযোগত জিলা এইডছ্ নিয়ন্ত্ৰণ কোষে আজি পুৱাৰে পৰা বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে আয়োজিত সজাগতামূলক শোভাযাত্ৰা আৰু সভাত স্বাস্থ্য কৰ্মীসকলৰ লগতে আশা কৰ্মীসকলেও অংশগ্ৰহণ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে অহা ৫ ডিচেম্বৰ বৃহস্পতিবাৰে বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৱেবছাইট www.newsonair.gov.in আৰু আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০

নাগালেণ্ডৰ বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হ'ব। এইবাৰ এই মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰা হ'ব। এইবাৰৰ মহোৎসৱত নাগালেণ্ড চৰকাৰৰ সৈতে ৰেলছ, জাপান, পেৰু আৰু আমেৰিকাই সহযোগ আগবঢ়াইছে। আনহাতে ছিকিম আৰু তেলেংগানায়ো এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। ১০ দিনীয়া এই উৎসৱ হৈছে নাগা সম্প্ৰদায়ৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ উৎসৱ।

উল্লেখযোগ্য যে নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত্বত অৱস্থিত নাগা হেৰিটেজ কিছামাত-**উৎসৱৰ উৎসৱ** হিচাপে অভিহিত হৰ্ণবিল মহোৎসৱৰ আয়োজন কৰা হৈছে। আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত অংশীদাৰী ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হ'ব। আজিৰ অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমান উপস্থিত থাকিব।

০০০০০০

সমাপ্ত